Total No. of Printed Pages—3

**RP–IX–XII–39**

2011

351

# ASSAMESE

## FIRST PAPER

*Full Marks* : 200

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### ক—শাখা

( কবিতা )

১। (ক) মাধৱ কন্দলীৰ পৰিচয় দিয়া আৰু 'চিত্ৰকূটৰ চিত্ৰ' কবিতাৰ কথাখিনি নিজৰ ভাষাৰে লিখা। কবিতাটিৰ আধাৰত কবিজনাৰ সৃষ্টিশীল প্ৰতিভাৰ বিচাৰ কৰা। ৩০

*নাইবা*

(খ) মাধৱদেৱৰ বৰগীতৰ বৈশিষ্ট্যসমূহ আলচ কৰি পাঠ্যৰ অন্তৰ্গত বৰগীত দুটি পৰ্যালোচনা কৰা।

২। (ক) তোমাৰ পাঠ্য 'মায়া অযোধ্যাৰ সৃষ্টি' কবিতাৰ আলম লৈ দুৰ্গাবৰৰ ৰামায়ণী ৰচনাৰ এক আলোচনা আগবঢ়োৱা। লগতে কবিজনাৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয়মূলক টোকা এটিও প্ৰস্তুত কৰা। ৩০

*নাইবা*

(খ) ৰাম সৰস্বতীক 'অসমীয়া ব্যাস' বুলি কিয় কোৱা হয়? 'ধৃতৰাষ্ট্ৰ-বিদূৰ সংবাদ' পাঠৰ মূল কথাখিনি লিখি এক বিশ্লেষণ আগবঢ়োৱা।

৩। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ২০×২=৪০

(ক) 'নন্দোৎসৱ' কবিতাটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাটিৰ মূলভাৱ লিখি কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(গ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাৰ আলমত কবিজনাৰ কবি-প্ৰতিভাৰ বিচাৰ কৰা।

(ঘ) নৱকান্ত বৰুৱাৰ 'পলস' নামৰ কবিতাটোৰ মূলভাৱ লিখি সাম্প্ৰতিক অসমীয়া কবিতাৰ বৈশিষ্ট্য ইয়াত কেনেদৰে ফুটি উঠিছে, লিখা।

(ঙ) হীৰেণ ভট্টাচাৰ্যৰ 'মোৰ দেশ' কবিতাটিত ফুটি উঠা স্বদেশপ্ৰীতিৰ এক বিশ্লেষণ দাঙি ধৰা।

খ—শাখা

( নাটক )

৪। (ক) প্ৰহসন হিচাপে 'লিটিকাই' নাটকখনৰ গুণাগুণ বিচাৰ কৰি এটি পৰ্যালোচনা দাঙি ধৰা। ৩০

*নাইবা*

(খ) 'লভিতা' নাটকৰ মূল চৰিত্ৰ কোনটো? চৰিত্ৰটি কিদৰে অংকন কৰা হৈছে, বিৱৰি লিখা।

৫। (ক) পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' নাটকত ঊনবিংশ শতিকাৰ শেষ দশকৰ অসমৰ আৰ্থ-সামাজিক চিত্ৰখন কেনেদৰে প্ৰতিফলিত হৈছে, লিখা। ৩০

নাইবা

(খ) এবছাৰ্ডধৰ্মী নাট হিচাপে 'আহৰ' নাটকৰ এটি পৰ্যালোচনা কৰা।

৬। (ক) নাটক বুলিলে কি বুজা? নাটকৰ প্ৰধান বৈশিষ্ট্যবোৰৰ বিষয়ে এক আলোচনা দাঙি ধৰা। ২০

নাইবা

(খ) পৌৰাণিক নাটকৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰি এটি সমীক্ষা যুগুত কৰা।

নাইবা

(গ) ট্ৰেজেদি আৰু কমেদি নাটকৰ পাৰ্থক্যসমূহ নিৰূপণ কৰি এটি প্ৰবন্ধ লিখা।

৭। তলৰ যি কোনো দুটাৰ চমু টোকা লিখা : ১০×২=২০

(ক) নাটকৰ পঞ্চসন্ধি

(খ) গহীন সামাজিক নাটক

(গ) নাট্য উৎকণ্ঠা

(ঘ) বুৰঞ্জীমূলক নাটক

★★★